NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। ভাৰত আৰু লাও গণতান্ত্ৰিক গণৰাজ্যই আজি প্ৰতিৰক্ষা সহযোগিতা, সীমাশুল্ক, দৃশ্য-শ্ৰব্য আৰু ঐতিহ্য সংৰক্ষণকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ছখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

২। ভাৰতে লেবাননৰ পৰিস্থিতি লৈ উদ্বেগ প্ৰকাশ কৰিছে।

৩। নোৱেল টাটাক টাটা গ্ৰুপৰ সহযোগী টাটা ন্যাসৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে।

৪। আণবিক বোমাৰ আক্ৰমণৰ সময়ত প্ৰাণ ৰক্ষা পৰা লোকক লৈ গঠিত জাপানৰ **নিহন হিদাংকিঅ** নামৰ গোটটোলৈ ২০২৪ বৰ্ষৰ শান্তিৰ নʼবেল বঁটা আগবঢ়োৱা হৈছে।

***আৰু***

৫। ভাৰতৰ প্ৰণয় চেট্টীগাৰ বি ডব্লিউ এফ ৱৰ্ল্ড জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ ১৯ বছৰ অনুৰ্দ্ধৰ শাখাৰ পুৰুষৰ ছিংগলৰ কোৱাৰ্টাৰ ফাইনেলত আজি চীনৰ ৱাং জি জুনৰ সন্মুখীন হʼব।

ooooooooo

ভাৰত আৰু লাও গণতান্ত্ৰিক গণৰাজ্যই আজি প্ৰতিৰক্ষা সহযোগিতা, সীমাশুল্ক, দৃশ্য-শ্ৰব্য আৰু ঐতিহ্য সংৰক্ষণকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ছখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ভাৰতে লগতে ভাৰত ৰাষ্ট্ৰসংঘ উন্নয়ন সহযোগিতা পুঁজিৰ জৰিয়তে লাওৰ পৰিপুষ্টি সুৰক্ষা উন্নীতকৰণৰ এটা প্ৰকল্পলৈ ১০ লাখ ডলাৰৰ বিত্তীয় সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। লাওৰ ৰাজধানী ভিয়েনটাইনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লাও গণতান্ত্ৰিক গণৰাজ্যৰ প্ৰধানমন্ত্ৰী চোনেক্সায় ছিফাণ্ডোনৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তিকেইখন সম্পাদিত হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি লাও ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ ৰাষ্ট্ৰপতি ফংগলাঅʼন ছিছৌলিথক সাক্ষাৎ কৰে। সাক্ষাৎকালত প্ৰধানমন্ত্ৰীয়ে আছিয়ান শীৰ্ষ সন্মিলনৰ সফল আয়োজনৰ বাবে ৰাষ্ট্ৰপতি ছিছৌলিথক অভিনন্দন জনায়। বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কক লৈ আলোচনা কৰে আৰু দুয়োখন দেশৰ ঘনিষ্ঠ সহযোগিতা অধিক সুদৃঢ় কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি ছিছৌলিথে য়াগী ঘূৰ্ণী বতাহৰ

ফলত হোৱা বানৰ সময়ত আগবঢ়োৱা মানৱীয় সাহায্যৰ বাবে ভাৰতক ধন্যবাদ জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে লাওৰ প্ৰধানমন্ত্ৰী চোনেক্সায় ছিফাণ্ডোনৰ সৈতেও দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই উন্নয়নমূলক সহযোগিতা, সামৰ্থ্য বৃদ্ধি, দুৰ্য্যোগ ব্যৱস্থাপনা, নৱীকৰণযোগ্য শক্তি, ঐতিহ্যৰ সংৰক্ষণ, অৰ্থনৈতিক সম্পৰ্ক, প্ৰতিৰক্ষা সহযোগিতা আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন বিষয় লৈ আলোচনা কৰে। লাওৰ প্ৰধানমন্ত্ৰী ছিফাণ্ডোনে য়াগী ঘূৰ্ণী বতাহৰ পাছত আগবঢ়োৱা বান সাহায্যৰ বাবে ভাৰতক ধন্যবাদ জনায়। বৈঠকৰ পাছত প্ৰধানমন্ত্ৰী মোদী ভাৰতলৈ বুলি ৰাওনা হয়।

ইয়াৰ পূৰ্বে, প্ৰধানমন্ত্ৰী মোদীয়ে ভিয়েনটাইনত অনুষ্ঠিত ঊনবিংশ পূব এছিয়া শীৰ্ষ সন্মিলনক সম্বোধন কৰি সমগ্ৰ অঞ্চলটোৰ শান্তি আৰু প্ৰগতিৰ বাবে মুক্ত, স্বতন্ত্ৰ, সৰ্বাত্মক, সমৃদ্ধিশালী আৰু নিয়ম আধাৰিত ভাৰত-প্ৰশান্ত মহাসাগৰ গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। তেওঁ কয় যে, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ স্বাৰ্থৰ দিশৰ পৰা দক্ষিণ চীন সমুদ্ৰৰ শান্তি, সুৰক্ষা আৰু সুস্থিৰতা প্ৰয়োজনীয়। বিশ্বৰ বিভিন্ন অংশত অব্যাহত সংঘৰ্ষক লৈ উদ্বেগ প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, সম্প্ৰসাৰণবাদ নহয়, বৰং উন্নয়নহে মূল দৃষ্টিভংগী হোৱা উচিত।

বিভিন্ন অঞ্চলত অব্যাহত সংঘৰ্ষই গোলকীয় ছাউথ ৰূপে পৰিচিত অৰ্থনৈতিকভাৱে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে, সকলোৱে ইউৰো-এছিয়া আৰু পশ্চিম এছিয়া অঞ্চলৰ শান্তি আৰু সুস্থিৰতা বিচাৰে। শ্ৰীমোদীয়ে কয় যে, বৰ্তমানৰ সময় যুদ্ধৰ সময় নহয় আৰু যুদ্ধৰ জৰিয়তে কোনো সমস্যাৰ সমাধান সূত্ৰ উলিয়াব পৰা নাযায়। সাৰ্বভৌমত্ব, ভৌগোলিক অখণ্ডতা আৰু আন্তৰাষ্ট্ৰীয় আইনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো জৰুৰী বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, মানৱীয় দৃষ্টিভংগী, আলোচনা আৰু কূটনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। তেওঁ লগতে কয় যে, ভাৰতে এই ক্ষেত্ৰত সম্ভাব্য সকলো ধৰণৰ অৱদান আগবঢ়াই যাব।

সন্ত্ৰাসবাদক গোলকীয় শান্তি আৰু সুৰক্ষাৰ বাবে গুৰুতৰ প্ৰত্যাহ্বান বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, সন্ত্ৰাসবাদে কঢ়িয়াই অনা সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সমগ্ৰ মানৱ জাতিয়ে একেলগে কাম কৰিব লাগিব। তেওঁ কয় যে, চাইবাৰ, সমুদ্ৰ আৰু মহাকাশ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰিব লাগিব। জলপথ আৰু বায়ুক্ষেত্ৰৰ সুৰক্ষা সুনিশ্চিত কৰাটো প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooooooo

লেবাননৰ পৰিস্থিতি লৈ ভাৰতে উদ্বেগ প্ৰকাশ কৰিছে। এটা বিবৃতিত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে, নতুন দিল্লীয়ে পৰিস্থিতিৰ ওপৰত নিবিড়ভাৱে নিৰীক্ষণ অব্যাহত ৰাখিছে আৰু ব্লু লাইনৰ কাষত নিৰাপত্তাজনিত পৰিস্থিতিৰ অৱনতি ঘটাত উদ্বিগ্নতা প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে লগতে কয় যে, ৰাষ্ট্ৰসংঘৰ চৌহদৰ পবিত্ৰতাক সকলোৱে সন্মান কৰিব লাগিব আৰু ৰাষ্ট্ৰসংঘৰ শান্তি কৰ্মীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ কাৰ্য্যভাৰৰ পবিত্ৰতা নিশ্চিত কৰিব লাগিব। ইজৰাইলৰ টেংকে কালি ৰাষ্ট্ৰসংঘৰ এটা ঘাটিৰ প্ৰহৰী টাৱাৰত গুলীচালনা কৰাৰ ফলত ৰাষ্ট্ৰসংঘৰ দুজন শান্তিৰক্ষক আহত হৈছিল। এই ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰসংঘই সতৰ্কবাণী জাৰি কৰি আঞ্চলিক সংঘাতৰ ফলত ক্ৰমাৎ বৃদ্ধি পোৱা জটিলতাসমূহৰ ওপৰত আলোকপাত কৰে। ইফালে, ইজৰাইলৰ সেনাই আজি ঘোষণা কৰে যে, দখল কৰা পশ্চিম পাৰত অৱস্থিত নুৰ শ্বামছ শৰণাৰ্থী শিৰিৰত পেলেষ্টাইনী উগ্ৰপন্থী সংগঠনে ইছলামিক জেহাদৰ শীৰ্ষ

অধিনায়ক মহম্মদ আব্দুল্লাক হত্যা কৰে। আই ডি এফে অঞ্চলটোত সংঘটিত আক্ৰমণৰ ঘটনাক আব্দুল্লাক দোষী সাব্যস্ত কৰিছে।

০০০০০০০০০

নোৱেল টাটাক টাটা গ্ৰুপৰ সহযোগী টাটা ন্যাসৰ অধ্যক্ষ হিচাপে আজি নিযুক্তি দিয়া হৈছে। আজি অনুষ্ঠিত ব'ৰ্ডৰ এখন সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰতন টাটাৰ ভাতৃ নোৱেল টাটাই ইতিমধ্যে টাটা ষ্টীল আৰু ভ'লটাছকে ধৰি কেইবাটাও উল্লেখযোগ্য কোম্পানীৰ ব'ৰ্ডত কাৰ্য্য নিৰ্বাহ কৰিছিল।

০০০০০০০০০

আণবিক বোমাৰ আক্ৰমণৰ সময়ত প্ৰাণ ৰক্ষা পৰা লোকক লৈ গঠিত জাপানৰ **নিহন হিদাংকিঅ'** নামৰ গোটটোলৈ ২০২৪ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। **হিবাকুশ্বা** নামেৰেও পৰিচিত এই গোটটো পাৰমাণৱিক অস্ত্ৰমুক্ত বিশ্বৰ লক্ষ্যত উপনীত হোৱাৰ হকে অক্লান্ত প্ৰচেষ্টা চলোৱাৰ লগতে ভৱিষ্যতে কেতিয়াও পাৰমাণৱিক অস্ত্ৰৰ প্ৰয়োগ হ'বলৈ নিদিয়াৰ স্পষ্ট সংকল্পৰ বাবে জনাজাত। অছলোৰ ন'বেল প্ৰতিষ্ঠানে এই পুৰস্কাৰ ঘোষণা কৰিছে। যোৱা বছৰ ইৰাণৰ মানৱ অধিকাৰ কৰ্মী নৰ্গেছ মুহম্মদীক শান্তিৰ ন'বেল বঁটাৰে সন্মানিত কৰা হৈছিল।

০০০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে অনা-বেংকিং প্ৰতিষ্ঠানসহ সকলো ধনাদায় সেৱা প্ৰদানকাৰীক ডিজিটেল ধনাদায় সেৱা দিব্যাংগসকলৰ বাবে সুগম কৰি তুলিবলৈ নিৰ্দেশ দিছে। আৰ বি আয়ে জাৰি কৰা এটা বিবৃতিত পইণ্ট অৱ ছেল মেচিনৰ দৰে ধনাদায় সেৱা প্ৰদানকাৰী সকলো ডিজিটেল ধনাদায় গোটক দিব্যাংগসকলৰ বাবে অনুকূল কৰি তোলাৰ বাবে প্ৰয়োজনীয় সাল-সলনি কৰিবলৈ কৈছে। ৰিজাৰ্ভ বেংকে লগতে যোৱা ফেব্ৰুৱাৰীত  জাৰি কৰা সুগম্যতা মান আৰু নীতি-নিৰ্দেশনা পালন কৰিবলৈ সকলো ধনাদায় কোম্পানীক নিৰ্দেশ দিছে।

০০০০০০০০০

ভাৰতৰ প্ৰণয় চেট্টীগাৰ বি ডব্লিউ এফ ৱৰ্ল্ড জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ ১৯ বছৰ অনুৰ্দ্ধৰ শাখাৰ পুৰুষৰ ছিংগলৰ কোৱাৰ্টাৰ ফাইনেলত আজি চীনৰ ৱাং জি জুনৰ সন্মুখীন হ'ব। প্ৰণয়ে কালি থাইলেণ্ডৰ একনাথ কিটকাৰিনৰোজক ২১, ২১-১৭ গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ইপিনে, ভাৰতৰ তনভি শৰ্মা আজি ১৯ বছৰ অনুৰ্ধৰ শাখাৰ মহিলাৰ  ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ শ্বু ৱেন জিঙৰ হাতত ১৩-২১, ২১-১৯, ১৫-২১ গেমত পৰাভূত হয়। একেদৰে, ভাৰতৰ আন এগৰাকী খেলুৱৈ আলিছাও চীনৰে ডাই কিন য়িৰ হাতত ১৮-২১, ১৯-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। তনভীয়ে কালি মহিলাৰ ১৯ বছৰ অনুৰ্দ্ধৰ ছিংগলছত জাপানৰ নীনা মাটছুটাক ২১-১৮, ২১-১৩ গেমত পৰাস্ত কৰে। একেদৰে আলিছাই এই একেই শিতানত মালয়েছিয়াৰ লিম ঝি শ্বিনক ২১-১৭, ২১-১৭ গেমত পৰাভূত কৰে।

০০০০০০০০০

মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপৰ আজি ডুবাইত হ'বলগীয়া গ্ৰুপ এ-ৰ এখন খেলত অষ্ট্ৰেলিয়াই পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে সাত বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০০০

**সমাপ্ত**